# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 02-03-2025
**Time :** 1340 hrs

ASSAMESE MIDDAY BULLETIN

## Headlines

::::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি গুজৰাটৰ জামনগৰ জিলাৰ পশুধন উদ্ধাৰ কেন্দ্ৰ বনতাৰা পৰিদৰ্শন কৰে।

২। উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে আজি কেৰালাৰ তিৰুৱানন্তপুৰমত ভাৰতীয় বিচাৰকেন্দ্ৰমে আয়োজন কৰা চতুৰ্থ পি পৰমেশ্বৰম স্মাৰক বক্তৃতা প্ৰদান কৰিব।

৩। দুখন ভোটাৰ পৰিচয় পত্ৰৰ EPIC নম্বৰ একে হোৱাৰ মানেই ভুৱা বা নকল পৰিচয় পত্ৰ নহয় বুলি নিৰ্বাচন আয়োগে স্পষ্ট কৰি দিছে।

৪। সমগ্ৰ দেশত আজি ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ পৱিত্ৰ ৰমজান মাহ আৰম্ভ হৈছে।

*আৰু*

৫। ভাৰত আজি ডুবাই আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত হ'বলগীয়া আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

লোকপি

০০০০০

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে আজি কেৰালাৰ তিৰুৱানন্তপুৰমত ভাৰতীয় বিচাৰকেন্দ্ৰমে আয়োজন কৰা চতুৰ্থ পি পৰমেশ্বৰম স্মাৰক বক্তৃতা প্ৰদান কৰিব। এই অনুষ্ঠানৰ পাছত উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে তেলেংগানাৰ হায়দৰাবাদত অৱস্থিত ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানৰ শিক্ষাৰ্থী আৰু ফেকাল্টিসকলৰ সৈতে মত-বিনিময় কৰিব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি গুজৰাটৰ জামনগৰ জিলাৰ পশুধন উদ্ধাৰ কেন্দ্ৰ বনতাৰা পৰিদৰ্শন কৰে। জিলাখনৰ ৩ হাজাৰ একৰ ভূমিত স্থাপন কৰা বনতাৰা হৈছে পশুধন উদ্ধাৰ, সংৰক্ষণ আৰু পুনৰ্বাসন কেন্দ্ৰ। শ্ৰীমোদীয়ে তিনিদিনীয়া গুজৰাট ভ্ৰমণৰ উদ্দেশ্যে কালি সন্ধিয়া জামনগৰত উপস্থিত হৈছে।

ইয়াৰ পাছতেই প্ৰধানমন্ত্ৰী মোদীয়ে সোমনাথ মন্দিৰত পূজা-অৰ্চনা আগবঢ়াব। সোমনাথ মন্দিৰ দৰ্শনৰ পাছত শ্ৰীমোদী গীৰ ৰাষ্ট্ৰীয় উদ্যানৰ মুখ্য কাৰ্যালয় ছাচনত উপস্থিত হৈ শ্ৰীসোমনাথ ন্যাসৰ এখন বৈঠকত অধ্যক্ষতা কৰিব। এই ন্যাসে বিশ্ববিখ্যাত সোমনাথ মন্দিৰ পৰিচালনা কৰি আহিছে।

কাইলৈ শ্ৰীমোদীয়ে এছীয় সিংহৰ শেষ বিচৰণ ভূমি গীৰ ৰাষ্ট্ৰীয় উদ্যানত চাফাৰী কৰিব। শ্ৰীমোদীয়ে ছাচনত ৰাষ্ট্ৰীয় বন্যপ্ৰাণী পৰিষদৰ সপ্তম বৈঠকত অধ্যক্ষতা কৰি বন্যপ্ৰাণী সম্পৰ্কীয় ৰাষ্ট্ৰীয়

পৰ্যায়ৰ বিষয়সমূহ আলোচনা কৰিব। এই পৰিষদে প্ৰধানমন্ত্ৰীক অধ্যক্ষ হিচাপে লৈ বন্যপ্ৰাণী আৰু বনাঞ্চলৰ সংৰক্ষণ আৰু উন্নয়নৰ হকে কাম কৰি আহিছে।

ooooo

নিৰ্বাচন আয়োগে স্পষ্ট কৰি দিছে যে দুখন ভোটাৰ পৰিচয় পত্ৰৰ EPIC নম্বৰ একে হোৱাৰ মানেই এয়া ভুৱা বা নকল পৰিচয় পত্ৰ নহয়। আয়োগৰ পৰা এটা বিবৃতিযোগে এই কথা প্ৰকাশ কৰিছে। পূৰ্বে সংবাদ মাধ্যমত দুখন ভিন ভিন ৰাজ্যৰ ভোটদাদতাৰ একেটাই EPIC নম্বৰ বুলি বাতৰি প্ৰচাৰ হোৱাৰ পাছত আয়োগে স্পষ্ট কৰি দিছে যে ভোটাৰসকলৰ EPIC নম্বৰ একে হ'লেও বিধানসভা সমষ্টি, ভোটগ্ৰহণ কেন্দ্ৰ তথা আন তথ্যবোৰ বেলেগ বেলেগ হয়। আয়োগে লগতে কয় যে এজন ভোটাৰে যিখন ৰাজ্য বা কেন্দ্ৰীয় শাসিত অঞ্চলৰ কেৱল সেইটো ভোটকেন্দ্ৰতহে নিজৰ ভোট সাব্যস্ত কৰিব পাৰে যিটো ভোটকেন্দ্ৰৰ ভোটাৰ তালিকাত তেওঁৰ নাম অন্তৰ্ভুক্ত আছে। তাৰ বাহিৰে আন কোনো ভোটকেন্দ্ৰত নিজৰ ভোটোদান সাব্যস্ত কৰিব নোৱাৰে বুলি নিৰ্বাচন আয়োগে স্পষ্ট কৰি দিয়ে।

ooooo

উত্তৰাখণ্ডৰ চাম'লী জিলাৰ মানা গাঁৱত হিমস্খলনৰ ফলত আৱদ্ধ হৈ পৰা সীমান্ত পথ সংস্থাৰ আবদ্ধ শ্ৰমিকৰ উদ্ধাৰ আৰু সাহায্য অভিযান অব্যাহত আছে। বৰ্তমানলৈ ৫১ জন শ্ৰমিকক উদ্ধাৰ কৰা হৈছে যদিও আন ৪জন শ্ৰমিকক উদ্ধাৰৰ বাবে প্ৰশাসনে যুদ্ধসদৃশ তৎপৰতা চলাই আছে। অৱশ্যে উদ্ধাৰ হোৱা শ্ৰমিকসকলৰ আঘাতৰ চিকিৎসা কৰা সময়ত চাৰিজন শ্ৰমিকৰ মৃত্যু হৈছে বুলি জানিব পৰা গৈছে।

উল্লেখযোগ্য যে, শুকুৰবাৰে পুৱা হিমস্খলনৰ ফলত উত্তৰাখণ্ডৰ মানা আৰু বদ্ৰীনাথৰ মাজত থকা শিবিৰত সীমান্ত পথ সংস্থাৰ ৫৫জন শ্ৰমিক আবদ্ধ হৈ পৰিছিল। ৰাজ্যখনত বৰ্তমানো তীব্ৰ হিমস্খলন অব্যাহত থকাত মুখ্যমন্ত্ৰী পুস্কৰ সিং ধামিয়ে আউলী আৰু হৰ্ষিল অঞ্চল অহা তিনি দিনলৈ ভ্ৰমণ নকৰিবলৈ সকলো পৰ্যটকক আহ্বান জনাইছে।

ooooo

দেশত যোৱা ফেব্ৰুৱাৰীত সংগৃহীত সামগ্ৰী আৰু সেৱা কৰ জি এছ্ টিৰ পৰিমাণ যোৱা বছৰৰ একে সময়ছোৱাৰ তুলনাত ৯ দশমিক ১ শতাংশ বৃদ্ধি এক লাখ ৮৪ হাজাৰ কোটি টকা হয়। দেশত ফেব্ৰুৱাৰীকে ধৰি বিগত ১২ মাহত এক লাখ ৭০ হাজাৰ কোটিৰো অধিক টকাৰ জি এছ্ টি সংগ্ৰহ হৈছে। প্ৰাপ্ত তথ্য অনুসৰি এই সময়ছোৱাত কেন্দ্ৰীয় জি এছ্ টি হিচাপে ৩৫ হাজাৰ ২০৪ কোটি, ৰাজ্যিক জি এছ্ টি হিচাপে ৪৩ হাজাৰ ৭০৪ কোটি, সংহত জি এছ্ টি হিচাপে ৯০ হাজাৰ ৮৭০ কোটি আৰু ক্ষতিপূৰণ উপকৰ ১৩ হাজাৰ ৮৬৮ কোটি টকা সংগৃহীত হয়। ফেব্ৰুৱাৰীত ২০ হাজাৰ ৮৮৯ কোটি টকাৰ ৰিফাণ্ড জাৰি কৰা হয়। ৰিফাণ্ড বাদ দি ফেব্ৰুৱাৰী মাহত ক্ষুদ্ধ জি এছ্ টি সংগ্ৰহ ৮ দশমিক ১ শতাংশ বৃদ্ধি পাই প্ৰায় এক লাখ ৬৩ হাজাৰ কোটি টকা হয়।

ooooo

ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীত প্ৰদূষণ নিয়ন্ত্ৰণ কৰাৰ অৰ্থে দিল্লী চৰকাৰে ১৫ বছৰ বা ইয়াতকৈও অধিক পুৰণি বাহনসমূহত ৩১ মাৰ্চৰ পাছত তেল ডিপোত ইন্ধন যোগান নধৰাৰ সিদ্ধান্ত লৈছে। দিল্লীৰ পৰিৱেশ মন্ত্ৰী মনজিন্দৰ সিং ছিৰছাই বায়ু প্ৰদূষণ সমস্যা সম্পৰ্কে বিষয়াসকলৰ সৈতে হোৱা বৈঠকৰ অন্তত প্ৰদূষণ ৰোধ কৰাৰ বাবে বিভিন্ন ব্যৱস্থাৰ কথা ঘোষণা কৰে। এই বৈঠকৰ অন্তত সংবাদ মাধ্যমৰ সৈতে হোৱা

কথা-বতৰাত শ্ৰী ছিৰছাই কয়, যে চৰকাৰে ১৫ বছৰ বা ইয়াতকৈও অধিক পুৰণি বাহনসমূহ চিনাক্ত কৰাৰ বাবে তেল ডিপোসমূহত যন্ত্ৰ স্থাপন কৰিব। মন্ত্ৰীগৰাকীয়ে কয়, যে এনে বাহনসমূহ চিনাক্তকৰণৰ লগতে মহানগৰখনত প্ৰৱেশ আৰু প্ৰস্থানত বাধা দিয়াৰ অৰ্থে এটা গোট গঠন কৰা হ'ব।

ooooo

সমগ্ৰ দেশত আজি ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ পৱিত্ৰ ৰমজান মাহ আৰম্ভ হৈছে। ইছলাম ধৰ্মাৱলম্বী লোকসকলে এই মাহটোত নিশা **টাৰাৱিৰ** নামজ পঢ়ে। পৱিত্ৰ ৰমজান মাহৰ অন্তত ঈদ-উল-ফিটৰ উদযাপন কৰা হ'ব।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰমজান উপলক্ষে দেশৰ ইছলাম ধৰ্মাৱলম্বী লোকসকলক শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে কয় যে এই পৱিত্ৰ ৰমজানে সমাজত শান্তি আৰু সম্প্ৰীতিৰ বাণী কঢ়িয়াই আনিব। এই পৱিত্ৰ মাহ ৰমজানে দয়া, সেৱা আৰু ত্যাগক প্ৰতিফলিত কৰে বুলিও শ্ৰীমোদীয়ে উল্লেখ কৰে।

অন্যান্য প্ৰান্তৰ লগতে অসমতো ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ পৱিত্ৰ ৰমজান মাহ আজি আৰম্ভ হৈছে। কেন্দ্ৰীয় হিলাল সমিতিৰ তথ্য অনুসৰি আজি প্ৰথম দিনটোত গুৱাহাটীৰ বাবে চেহেৰীৰ সময় পুৱা ৪ বাজি ৩০ মিনিট, ইফতাৰৰ সময় আবেলি ৫ বাজি ২৫ মিনিট, মৰিগাঁও আৰু জাগীৰোডৰ বাবে চেহেৰীৰ সময় পুৱা ৪ বাজি ২৭ মিনিট, ইফতাৰৰ সময় আবেলি ৫ বাজি ২২ মিনিট, নগাঁও আৰু তেজপুৰৰ বাবে চেহেৰীৰ সময় পুৱা ৪ বাজি ২৬ মিনিট আৰু ইফতাৰৰ সময় আবেলি ৫ বাজি ২১ মিনিট ধাৰ্য কৰা হয়। এইবেলি ধাৰ্য কৰা ফিতৰাৰ পৰিমাণ হ'ল এহেজাৰ ৬৩৩ গ্ৰাম ঘেঁহু বা তাৰ মূল্য।

পাৰশ্য উপসাগৰীয় দেশসমূহত ৰমজান মাহ কালি আৰম্ভ হৈছে।

ooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কৈছে যে সমগ্ৰ দেশত ১২টা ভিন ভিন গোচৰত ২৯জন নিচাযুক্ত দ্ৰব্য সৰবৰাহকাৰীক আদালতে দোষী সাব্যস্ত কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীশ্বাহে কয় যে ধনৰ লোভত আমাৰ দেশৰ যুৱক-যুৱতীক নিচাৰ মাজলৈ ঠেলি দিয়া নিচাযুক্ত দ্ৰব্য সৰবৰাহকাৰীক শাস্তি প্ৰদান কৰা হ'ব। নিচামুক্ত ভাৰত নিৰ্মাণৰ বাবে চৰকাৰে নিখুঁট তদন্তৰে নিচাযুক্ত দ্ৰব্যৰ বিৰুদ্ধে যুঁজ দি যাব বুলি শ্ৰীশ্বাহে প্ৰতিশ্ৰুতি প্ৰদান কৰে।

ooooo

নতুন গৱেষণা পত্ৰৰ তথ্য অনুসৰি বিগত দশকত দেশত দৰিদ্ৰতা যথেষ্ট হ্ৰাস পোৱা দেখা গৈছে। সুৰজিত এছ ভাল্লা আৰু কৰণ ভাছিনে প্ৰকাশ কৰা গৱেষণা পত্ৰখনত ২০২২-২৩ আৰু ২০২৩-২৪ বৰ্ষৰ ঘৰুৱা ব্যয়ৰ তথ্য বিশ্লেষণ কৰা হৈছে। এই সমীক্ষাত দেশত দৰিদ্ৰতা যথেষ্ট হ্ৰাসৰ পোৱাৰ ইংগিত পোৱা গৈছে। গৱেষণাপত্ৰখনত সলগতে উল্লেখ কৰা হৈছে যে ২০১১-১২ বিত্তীয় বৰ্ষৰ পৰা ২০২৩-২৪ বিত্তীয় বৰ্ষলৈ যোৱা ১২ বছৰত দেশত অৰ্থনৈতিক বৈষম্য তীব্ৰভাৱে হ্ৰাস পোৱাৰ শক্তিশালী প্ৰমাণ পোৱা গৈছে।

ooooo

ইজৰাইল আৰু হামাছৰ মাজত যুদ্ধ বিৰতিৰ প্ৰথম পৰ্যায়ৰ কালি সামৰণি পৰে। প্ৰথম পৰ্যায়ৰ যুদ্ধ বিৰতি ১৯ জানুৱাৰীত আৰম্ভ হৈছিল আৰু এই চুক্তিৰ অংশ হিচাপে ইজৰাইলে এহেজাৰ ৯০০ জন

পেলেষ্টাইনী কয়দীক মোকলাই দিছে আৰু ইয়াৰ বিনিময়ত হামাছে ৩৩ জন ইজৰাইলী পণবন্দীক মুকলি কৰি দিছে।

প্ৰথম পৰ্যায়ৰ যুদ্ধ বিৰতিৰ ম্যাদ বৃদ্ধি কৰাৰ বাবে ইজৰাইলে দিয়া প্ৰস্তাৱ হামাছে প্ৰত্যাখ্যান কৰিছে। হামাছে কৈছে যে, দ্বিতীয় পৰ্যায়ৰ যুদ্ধ বিৰতিৰ বাবে কোনো ধৰণৰ আলোচনা হোৱা নাই। ইপিনে, যুদ্ধ বিৰতিৰ আলোচনাৰ বাবে ইজিপ্তলৈ যোৱা ইজৰাইলৰ প্ৰতিনিধিবৰ্গ কাইৰোৰ পৰা উভতি আহিছে।

ooooo

ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ'ল'ডিমিৰ জেলেনস্কিয়ে কালি লণ্ডনত ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী কেইৰ ষ্টেমাৰক সাক্ষাৎ কৰে। এই বৈঠকত ব্ৰিটেইনে দেশখনক ২৮০ কোটি ডলাৰ ঋণ দিবলৈ সন্মতি প্ৰকাশ কৰে। এই ঋণৰ ধনৰাশিৰে ইউক্ৰেইনৰ প্ৰতিৰক্ষা সামৰ্থ বৃদ্ধি হ'ব বুলি ৰাষ্ট্ৰপতি জেলেনস্কিয়ে প্ৰকাশ কৰে। আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ সৈতে হোৱা সাক্ষাতৰ এদিন পাছতেই এই বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰীয়ে ইউক্ৰেইনত চলি থকা সংঘাতৰ সময়ছোৱাত দেশখনক সমৰ্থন কৰি যাব বুলি প্ৰতিশ্ৰুতি দিয়ে। তেওঁ লগতে ইউক্ৰইনত স্থায়ী শান্তি প্ৰতিষ্ঠাৰ বাবে কাম কৰাৰ ক্ষেত্ৰত ব্ৰিটেইনৰ প্ৰতিশ্ৰুতিবদ্ধতাক দোহাৰে। ইপিনে ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি জেলেনস্কিয়ে ব্ৰিটেইনক এই সহায়ৰ বাবে কৃতজ্ঞতা জনায়। আজি জেলেনস্কিয়ে ৰজা তৃতীয় ছাৰ্লছৰ লগতে ইউৰোপীয় সহযোগীসকলৰ এটা গোটৰ সৈতে বৈঠকত মিলিত হোৱাৰ কথা। ইটালীৰ প্ৰধানমন্ত্ৰী জৰ্জিয়া মেল'নি আৰু আন নেতাসকলে ইউক্ৰেইনৰ ৰাষ্ট্ৰপতিগৰাকীৰ সৈতে বৈঠকত মিলিত হ'ব।

ooooo

ভাৰত আজি ডুবাই আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত হ'বলগীয়া আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি দিনৰ আঢ়ৈ বজাত আৰম্ভ হ'ব। দুয়োটা দলে ইতিমধ্যে গ্ৰুপ এৰ পৰা ছেমি ফাইনেলত স্থান নিশ্চিত কৰিছে। আজিৰ খেলখনত জয়লাভ কৰা দলটোৱে গ্ৰুপ এৰ পইণ্ট তালিকাত শীৰ্ষ স্থান লাভ কৰিব আৰু মঙলবাৰে ছেমি ফাইনেলত অষ্ট্ৰেলিয়াৰ সন্মুখীন হ'ব। পৰাজিত দলটো বুধবাৰে ছেমি ফাইনেলত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

সমাপ্ত